# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## জুলাই ২০১৯



| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | দেও |
|---|---|---|---|---|---|---|
| ১ গ্ৰীষ্মবন্ধ | ২ গ্ৰীষ্মবন্ধ | ৩ গ্ৰীষ্মবন্ধ | ৪ গ্ৰীষ্মবন্ধ | ৫ গ্ৰীষ্মবন্ধ | ৬ গ্ৰীষ্মবন্ধ | ৭ গ্ৰীষ্মবন্ধ |
| ৮ গ্ৰীষ্মবন্ধ | ৯ গ্ৰীষ্মবন্ধ | ১০ গ্ৰীষ্মবন্ধ | ১১ গ্ৰীষ্মবন্ধ (বিশ্ব জনসংখ্যা দিৱস) | ১২ গ্ৰীষ্মবন্ধ | ১৩ গ্ৰীষ্মবন্ধ | ১৪ গ্ৰীষ্মবন্ধ |
| ১৫ গ্ৰীষ্মবন্ধ | ১৬ গ্ৰীষ্মবন্ধ | ১৭ গ্ৰীষ্মবন্ধ | ১৮ গ্ৰীষ্মবন্ধ | ১৯ গ্ৰীষ্মবন্ধ | ২০ গ্ৰীষ্মবন্ধ | ২১ গ্ৰীষ্মবন্ধ |
| ২২ গ্ৰীষ্মবন্ধ | ২৩ গ্ৰীষ্মবন্ধ | ২৪ গ্ৰীষ্মবন্ধ | ২৫ গ্ৰীষ্মবন্ধ | ২৬ গ্ৰীষ্মবন্ধ | ২৭ গ্ৰীষ্মবন্ধ | ২৮ গ্ৰীষ্মবন্ধ |
| ২৯ গ্ৰীষ্মবন্ধ | ৩০ গ্ৰীষ্মবন্ধ | ৩১ গ্ৰীষ্মবন্ধ | | | | |

### গ্ৰীষ্মবন্ধত কৰিবলগীয়া কাম


#### নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

শিক্ষকে জুন মাহৰ শেষৰ শ্ৰেণী দিনটোত এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক বন্ধৰ সময়ছোৱাত ঘৰত বিভিন্ন ধৰণৰ শিক্ষণ-শিকন সামগ্ৰী বনাবলৈ দিব।

যেনে-

- বৰ্ণ কাৰ্ড, সংখ্যা কাৰ্ড, ছবি কাৰ্ড, প'ষ্টাৰ আদি।
- মাটিৰ সহায়ত বিভিন্ন বস্তুৰ আকৃতি।
- কাগজৰ সহায়ত খাম, গ্ৰীটিংচ কাৰ্ড, ফুল আদি।
- ভাল লগা বিষয়ৰ চিত্ৰাংকন।
- ভাল লগা পদ্য, গীত, মাত আদিৰ অনুশীলন।

*প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মাটি অথবা অন্য পাত্ৰত একোটিকৈ গছপুলি ৰোপণ কৰি লালন-পালন কৰিব। গ্ৰীষ্ম বন্ধ খোলাৰ দিনা গছপুলিটো বিদ্যালয়লৈ লৈ আনিব আৰু প্ৰতিদিনে তাৰ যত্ন ল'ব।*



### গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত কৰণীয় কাৰ্য আৰু উদ্‌যাপন দিৱস

- শিক্ষক, পিতৃ-মাতৃ, অভিভাৱক তথা সমাজৰ সক্ৰিয় ব্যক্তিৰ তত্বাৱধানত স্থানীয়ভাৱে কৰা পৰিকল্পনাৰ আধাৰত ভ্ৰমণ/শিক্ষামূলক ভ্ৰমণ তথা পৰিয়ালকেন্দ্ৰিক ভ্ৰমণৰ ব্যৱস্থা গ্ৰহণ কৰিব।
- ছাত্ৰ-ছাত্ৰীসকলক পিতৃ-মাতৃ তথা অভিভাৱকক দৈনন্দিন কাম-কাজত সহায় কৰাৰ প্ৰতি উৎসাহিত হ'বলৈ অনুপ্ৰাণিত কৰিব।
- সেই সময়ত অনুষ্ঠিত সামাজিক উৎসৱ-পাৰ্বণ তথা অন্যান্য অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব।
- ঘৰত কৰিবলৈ দিয়া প্ৰকল্প তথা অন্যান্য কাৰ্যসমূহ সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিব। উল্লিখিত ভিন ভিন ভ্ৰমণ কাৰ্যসূচীৰ ওপৰত একোটি ভ্ৰমণ টোকা প্ৰস্তুত কৰিবলৈ দিব।

প্ৰকৃত শ্ৰেণী দিন ঃ ০
দেওবাৰ ঃ ৪
গ্ৰীষ্ম বন্ধৰ দিন ঃ ২৭
মাহটোৰ মুঠ দিন ঃ ৩১
(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ০)

- শিক্ষকে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বিষয়ৰ 'আকাংক্ষিত শিকন ফলাফল' অনুসৰি পাঠদান প্ৰক্ৰিয়া পৰিচালনা কৰিব লাগিব।
- বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত শিক্ষকে পাঠসমুহ তেওঁলোকৰ অনুকূলে সজাই লৈ পাঠদান কৰিব।
- ঘৰ বা বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰী আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব আনৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েও পালন কৰিব।
- ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধানহোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।
- বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।



### গ্ৰীষ্মবন্ধত কৰিবলগীয়া কাম

#### উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

শিক্ষকে জুন মাহৰ শেষৰ শ্ৰেণী দিনটোত এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক বন্ধৰ সময়ছোৱাত ঘৰত বিভিন্ন ধৰণৰ লেখা-মেলা কৰিবলৈ আৰু শিক্ষণ-শিকন সামগ্ৰী বনাবলৈ দিব।

যেনে-

- ভ্ৰমণ কাহিনী, গল্প, কবিতা আদি।
- বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী।
- ৰুমাল, টেবুল ক্লথ, এমব্ৰ'ইদাৰী আদি।
- বিভিন্ন ধৰণৰ মুখা, ফাইল ক'ভাৰ আদি।
- ভাল লগা বিষয়ৰ ওপৰত প'ষ্টাৰ, বেনাৰ, শ্ল'গান আদি।
- ভাল লগা বিষয়ৰ চিত্ৰাংকন

*প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মাটি অথবা অন্য পাত্ৰত একোটিকৈ গছপুলি ৰোপণ কৰি লালন-পালন কৰিব। গ্ৰীষ্ম বন্ধ খোলাৰ দিনা গছপুলিটো বিদ্যালয়লৈ লৈ আনিব আৰু প্ৰতিদিনে তাৰ যত্ন ল'ব।*



# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## আগষ্ট ২০১৯



| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | দেও |
|---|---|---|---|---|---|---|
| | | | ১ শ্ৰেণী দিন | ২ শ্ৰেণী দিন | ৩ শ্ৰেণী দিন | ৪ বন্ধ দিন |
| ৫ শ্ৰেণী দিন | ৬ শ্ৰেণী দিন | ৭ শ্ৰেণী দিন | ৮ শ্ৰেণী দিন | ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ বন্ধ দিন |
| ১২ বন্ধ দিন (ঈদ-উজ-জোহা) | ১৩ শ্ৰেণী দিন | ১৪ শ্ৰেণী দিন | ১৫ বন্ধদিন আৰু উদ্‌যাপন দিন (স্বাধীনতা দিৱস) | ১৬ শ্ৰেণী দিন | ১৭ শ্ৰেণী দিন | ১৮ বন্ধ দিন |
| ১৯ শ্ৰেণী দিন | ২০ বন্ধ দিন (শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি) | ২১ শ্ৰেণী দিন | ২২ শ্ৰেণী দিন | ২৩ শ্ৰেণী দিন | ২৪ বন্ধ দিন (জন্মাষ্টমী) | ২৫ বন্ধ দিন |
| ২৬ শ্ৰেণী দিন | ২৭ শ্ৰেণী দিন | ২৮ শ্ৰেণী দিন | ২৯ শ্ৰেণী দিন | ৩০ শ্ৰেণী দিন | ৩১ শ্ৰেণী দিন | |

## নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|
| ভাষা | ■ পখিলা<br>■ আমাৰ উৎসৱ | ■ চাফ-চিকুণতা<br>■ বেলি আৰু বতাহ | ■ সাহসী ছোৱালী জনী<br>■ আব্দুলহঁতৰ নতুন ট্ৰেক্টৰ | ■ অসমৰ কাঁহ শিল্প<br>■ বৰদৈচিলা | ■ ভতুৱা আৰু খকুঁৱাৰ খৰিয়াল<br>■ তিনিটা মাছৰ কাহিনী |
| গণিত | ■ যোগ-বিয়োগ (২০ৰ ভিতৰত)<br>■ জোখ- মাখ | ■ টকা-পইচা<br>■ দ্বিমাত্ৰিক আকৃতি | ■ ওজন<br>■ পূৰণ | ■ চানেকি<br>■ ওজন | ■ সমমিতি<br>■ দৈনন্দিন জীৱনত সংখ্যাৰ ব্যৱহাৰ |
| ইংৰাজী | At the Market | A Pleasant Surprise | I'am a Mobile Phone | Frogs at School | My Story |
| পৰিৱেশ অধ্যয়ন | —— | —— | ■ বাঁহ-বেতৰ সামগ্ৰী আৰু ইয়াৰ ব্যৱহাৰ<br>■ বায়ু আৰু আমাৰ চৌপাশ | ■ আকস্মিক দুৰ্ঘটনা<br>■ প্ৰাকৃতিক সম্পদ<br>■ শস্যৰ উৎপাদন আৰু সংৰক্ষণ | ■ যাতায়াত<br>■ উদ্যোগ<br>■ দুৰ্যোগ |

শৈক্ষিক দিনপঞ্জীত প্ৰথমৰপৰা পঞ্চম শ্ৰেণীলৈ কৰ্ম শিক্ষা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা আৰু কলা শিক্ষাৰ কেতবোৰ কাৰ্য সন্নিবিষ্ট কৰা হৈছে। শিক্ষকে দৈনিক সময় তালিকাত নিৰ্ধাৰিত পিৰিয়ডত শ্ৰেণী অনুযায়ী কাৰ্যসমূহ সম্পাদন কৰিব।
(আগষ্ট মাহৰপৰা ডিচেম্বৰ মাহলৈ শিক্ষকে সহজৰ পৰা জটিল কাৰ্যসমূহ শ্ৰেণী অনুযায়ী কৰিব)

### কৰ্ম শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- অসমীয়া বৰ্ণ কাৰ্ড, ইংৰাজী বৰ্ণ কাৰ্ড, যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ড বনাবলৈ শিকিব।
- কাগজৰ সহায়ত বিভিন্ন সাজ-পোছাক, বিভিন্ন আৰ্হিৰ খাম, স্কেল আদি বনাবলৈ শিকিব।
- মাটিৰ পুতলা, বাচন, নাওঁ, কেটেপা গুটি আদি বনাবলৈ শিকিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- চাফ-চিকুণতাৰ বাবে ছাত্ৰ-ছাত্ৰীক পৰ্যৱেক্ষণ কৰিব।
- প্লাষ্টিকৰ বল দলিওৱা অনুশীলন কৰিব।
- ভৰিৰ আঙুলিৰ ওপৰত থিয় হৈ সমুখৰ ফালে খোজ কাঢ়িব।
- খেল যেনে- সংগীত চকী, উঠা-বহা, পানী-পাৰ, এঠেঙীয়া দৌৰ আদি খেলিব।
- মাৰ্চ-পাষ্ট সম্পূৰ্ণভাবে শিকিবলৈ যত্ন কৰিব।
- মাটিত বহি ভৰি দুখন চিধাকৈ মেলি মূৰটো আঁঠুত লগাবলৈ চেষ্টা কৰিব।
- দীঘল জাঁপ মৰা শিকিব।
- প্ৰাণায়ম কৰিবলৈ শিকিব।
- ১০০ মিটাৰ দৌৰিবলৈ শিকিব।
- সমুখলৈ হাউলি এখন ভৰি পিছফালে দাঙি ভাৰসাম্য ৰক্ষা কৰিবলৈ শিকিব।
- গোলাকৃতিত থিয় হৈ কেইবাজনে পখিলাৰ দৰে জগিং কৰিব।
- স্থানীয় খেল খেলিব।
- খোৱাৰ আগত আৰু খোৱাৰ পিছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- ভালপোৱা প্ৰাকৃতিক দৃশ্য, গাঁৱৰ পৰিৱেশৰ ছবি আঁকিবলৈ শিকিব।
- ঢোল, খোল, পেঁপা, বাঁহী আদিৰ বিষয়ে ধাৰণা লাভ কৰিব আৰু সংগীতত সেইবোৰৰ ব্যৱহাৰ কৰিবলৈ শিকিব।
- স্থানীয় অথবা বিভিন্ন লোকনৃত্যসমূহ দলগতভাবে নাচিবলৈ অভ্যাস কৰিব।
- পাঠ্যপুথিত থকা গল্প, নাট আদিৰ লগতে সমাজৰ বিভিন্ন বৃত্তিধাৰী লোকসমূহৰ মাত সংলাপসমূহ ভাও বা অভিনয় কৰিবলৈ শিকিব।
- শ্ৰেণীকোঠাৰ ভিতৰ কিম্বা বাহিৰৰ পৰিৱেশৰ বিভিন্ন বস্তুসমূহৰ আকাৰ আকৃতি ৰং আদি প্ৰত্যক্ষ কৰি তাৰ ছবি অংকণ কৰিব।

## ক্ৰিয়া-কলাপ আৰু উদ্‌যাপন দিৱস

**১৫ আগষ্ট ঃ**

বিদ্যালয়ৰ চৌহদত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। শিক্ষক, ছাত্ৰ-ছাত্ৰী সমবেত হৈ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম আৰু স্বাধীনতা দিৱসৰ তাৎপৰ্যৰ ওপৰত আলোচনা কৰিব।



স্বাধীনতা দিৱস

প্ৰকৃত শ্ৰেণী দিন ঃ ২৩
দেওবাৰ ঃ ৪
আন বন্ধৰ দিন ঃ ৪
মাহটোৰ মুঠ দিন ঃ ৩১
(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ১)

- শিক্ষকে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বিষয়ৰ 'আকাংক্ষিত শিকন ফলাফল' অনুসৰি পাঠদান প্ৰক্ৰিয়া পৰিচালনা কৰিব লাগিব।
- বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত শিক্ষকে পাঠসমুহ তেওঁলোকৰ অনুকূলে সজাই লৈ পাঠদান কৰিব।
- ঘৰ বা বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰী আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব আনৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েও পালন কৰিব।
- ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধানহোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।
- বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।



## উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| ভাষা | মহীয়সী হেলেন কেলাৰ | ■ জতুৱাৰ জঁট<br>■ পণ্ডিত আনন্দৰাম বৰুৱা | পৰীক্ষিতৰ ব্ৰহ্মশাপ |
| গণিত | ■ তথ্যৰ ব্যৱহাৰ<br>■ জোখ-মাখ | ■ পৰিমেয় সংখ্যা<br>■ ব্যৱহাৰিক জ্যামিতি | ■ বীজগণিতীয় ৰাশি আৰু অভেদসমূহ<br>■ গোটা আকৃতিক দৃশ্যমান কৰা |
| ইংৰাজী | ■ Who I am<br>■ The Wonderful Words<br>■ Fairplay | ■ Expert Detectives<br>■ Mystery of the Talking Fan<br>■ The Invention of Vita-Wonk<br>■ Dad and the Cat and the Tree | ■ This is Jody's Fawn<br>■ The Duck and the Kangaroo<br>■ A Visit to Cambridge<br>■ When I set out for Lyonnesse |
| বিজ্ঞান | ■ জীৱ আৰু ইয়াৰ চৌপাশ<br>■ গতি আৰু দুৰত্বৰ জোখ-মাখ | ■ প্ৰাণী আৰু উদ্ভিদৰ পৰিবহণ তন্ত্ৰ<br>■ উদ্ভিদৰ প্ৰজনন | ■ বল আৰু চাপ<br>■ ঘৰ্ষণ |
| সমাজ বিজ্ঞান | ■ পৃথিৱীৰ প্ৰধান ভূ-অৱয়ৱ (ভূ)<br>■ বৈদিক সভ্যতা (ই)<br>■ জীৱন ধাৰণৰ মান উন্নয়নত প্ৰযুক্তিৰ প্ৰভাৱ (অ.বি.) | ■ দিল্লীৰ চুলতানসকল (ই)<br>■ পৰিকল্পনা বাজেট আৰু উন্নয়ন (অ.বি.)<br>■ নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰক্ৰিয়া (ৰা.বি.) | ■ ভাৰতৰ উদ্যোগ আৰু পৰিবহণ ব্যৱস্থা (ভূ)<br>■ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনকালত ভাৰতত হোৱা সংস্কাৰসমূহ (ই)<br>■ মৌলিক অধিকাৰ(ৰা.বি.) |
| হিন্দী | ■ बाघ और बतोही<br>■ प्रकृति का संदेश | ■ स्वाधीनता संग्राम में पूर्वोत्तर की बीरांगनाएँ<br>■ कागज की कहानी | ■ गोकुल लीला<br>■ भारत की भाषिक एकता |

শৈক্ষিক দিনপঞ্জীত ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ কৰ্ম শিক্ষা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা আৰু কলা শিক্ষাৰ কেতবোৰ কাৰ্য সন্নিবিষ্ট কৰা হৈছে। শিক্ষকে দৈনিক সময় তালিকাত নিৰ্ধাৰিত পিৰিয়ডত শ্ৰেণী অনুযায়ী কাৰ্যসমূহ সম্পাদন কৰিব।
(আগষ্ট মাহৰপৰা ডিচেম্বৰ মাহলৈ শিক্ষকে সহজৰ পৰা জটিল কাৰ্যসমূহ শ্ৰেণী অনুযায়ী কৰিব)

### কৰ্ম শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰিব।
- পেলনীয়া বস্তুৰ সহায়ত বিভিন্ন লাগতীয়াল সামগ্ৰী বনাব।
- শ্ল'গান, প'ষ্টাৰ ফেষ্টুন, বেনাৰ আদি বনাব।
- টাবত বৃক্ষৰোপন কৰিব।
- বিভিন্ন ফুল, পাচলি আদিৰ গছ ৰোপণ কৰি যতন ল'বলৈ শিকিব।
- ফাইল ক'ভাৰ, চাৰ্ট আদি প্ৰস্তুত কৰিব।
- বাগিচাৰ বেৰ দিবলৈ শিকিব।
- পচন সাৰ প্ৰস্তুত কৰিবলৈ শিকিব।
- শিল, বালি আৰু কয়লাৰে ঘৰুৱাভাবে পানী বিশুদ্ধকৰণ কৰাৰ পদ্ধতি শিকিব।
- গছৰ বিভিন্ন পাত, ফুল, গুটিৰ এলবাম প্ৰস্তুত কৰিবলৈ শিকিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- চাফ-চিকুণতাৰ বাবে ছাত্ৰ-ছাত্ৰীক পৰ্যৱেক্ষণ কৰিব।
- হাত দুখন ককালত থৈ ভৰিদুখন অলপ বহলকৈ মেলি এবাৰ সমুখলৈ আৰু এবাৰ পিছলৈ হাউলি কেইবাবাৰো অনুশীলন কৰিব।
- ৰাজহাড় পোন কৰি এটা শাৰীত থিয় হৈ এখোজ এখোজকৈ পিছলৈ যোৱা (শাৰীৰ সমতা ৰক্ষা কৰিব) অনুশীলন কৰিব।
- ৰাজহাড় পোন কৰি সুখাসনত বহিবলৈ শিকিব।
- বল পাচিং খেলিব।
- সহজ ব্যায়াম, যেনে- হাতদুখন সমুখলৈ, কাষলৈ, ওপৰলৈ নি কেবাবাৰো অনুশীলন কৰিব
- এখন ভৰিত ভৰ দি থিয় হৈ হাতদুখন কাষলৈ মেলি দিব আৰু ভাৰসাম্য ৰক্ষা কৰিব।
- মাটিত বহি ভৰিদুখন মেলি মূৰটো মাটিত লগাবলৈ চেষ্টা কৰিব।
- ২০০ মিটাৰ দৌৰিবলৈ শিকিব।
- খোৱাৰ আগত আৰু খোৱাৰ পিছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- বৰগীত, জ্যোতিসংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, বনগীত আদি গাবলৈ শিকিব।
- ঢোল, খোল, পেঁপা, বাঁহী, সুতুলী, গগনা আদি বাদ্যযন্ত্ৰসমূহৰ বিষয়ে জানিব আৰু গীতৰ লগতে এই বাদ্যসমূহ সংগত কৰিবলৈ শিকিব।
- পৰিৱেশ নিৰীক্ষণ আৰু পৰ্যবেক্ষণৰ জৰিয়তে কোনো ঘটনাৰ আলম লৈ অভিনয় কৰিব।
- মূকাভিনয়ৰ জৰিয়তে সমাজৰ বিভিন্ন ঘটনাৰ বিষয়ে বৰ্ণনা কৰিব।
- পাঠ্যপুথিৰ বিভিন্ন পদ্য/কবিতা আদি মুখস্থ কৰি সুৰ লগাই গাব আৰু আবৃত্তি কৰিব।
- মুখাৰ সহায়ত চৰিত্ৰ অভিনয় কৰিব।

---

- ২০১৯ শিক্ষা বৰ্ষৰ পৰা প্ৰথমৰপৰা পঞ্চম শ্ৰেণীলৈ গণিত আৰু ইংৰাজী বিষয়ৰ নতুন পাঠ্যপুথি প্ৰচলন হ'ব।
- যদিও শৈক্ষিক দিনপঞ্জীত মাহ অনুযায়ী পাঠ বিতৰণ কৰি দিয়া হৈছে, প্ৰতিটো গোট মূল্যায়নৰ আগতে বিষয় অনুযায়ী নিৰ্ধাৰিত পাঠসমূহ শিক্ষকে নিজৰ নিজৰ সুবিধা অনুসৰি সমাপ্ত কৰিব লাগিব।
- আগষ্ট মাহত প্ৰকৃততে সম্পাদন হোৱা শ্ৰেণী দিনৰ সংখ্যা ☐ বাকচত উল্লেখ কৰিব। যদিহে এই সংখ্যা উল্লিখিত দিনতকৈ কম হয় তেনেহ'লে শিক্ষকে নিজৰ সুবিধা অনুযায়ী শ্ৰেণীদিন সম্পূৰ্ণ কৰিব লাগিব।